**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date : 13-12-2025** **Time : 1800 Hrs**

***Assamese Evening Bulletin***
***Headlines***

----------------------------

১। পাকিস্তানৰ চোৰাংচোৱা সংস্থাৰ সৈতে সম্পৰ্ক থকাৰ অভিযোগত তেজপুৰ আৰক্ষীয়ে আজি ভাৰতীয় বায়ু সেনাৰ অৱসৰপ্ৰাপ্ত বিষয়া কুলেন্দ্ৰ শৰ্মাক গ্ৰেপ্তাৰ কৰে।

২। নাগৰিকত্ব সংশোধনী আইন, CAA-ৰ অধীনত এতিয়ালৈ বৰাকৰ দুগৰাকী ব্যক্তিৰ ভাৰতৰ নাগৰিকত্ব লাভ।

৩। ২১ ডিচেম্বৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অসম ভ্ৰমণৰ পৰিপ্ৰেক্ষিতত প্ৰস্তুতি সম্পৰ্কে মন্ত্ৰী প্ৰশান্ত ফুকনৰ গুৰুত্বপূৰ্ণ বৈঠক। ***আৰু***

৪। চানমাৰিৰ অসম অভিযান্ত্ৰিক প্ৰতিষ্ঠান খেলপথাৰত কেন্দ্ৰীয় সমবায় বিভাগৰ ৰাজ্য মন্ত্ৰী কৃষাণ পাল গুৰ্জ্জৰৰ চতুৰ্থ সমবায় মেলা উদ্বোধন।

০০০০০০

পাকিস্তানৰ চোৰাংচোৱা সংস্থাৰ সৈতে সম্পৰ্ক থকাৰ অভিযোগত তেজপুৰ আৰক্ষীয়ে আজি ভাৰতীয় বায়ু সেনাৰ অৱসৰপ্ৰাপ্ত বিষয়া কুলেন্দ্ৰ শৰ্মাক গ্ৰেপ্তাৰ কৰে। সামাজিক মাধ্যমৰ জৰিয়তে ধৃত কুলেন্দ্ৰ শৰ্মাই দেশৰ প্ৰতিৰক্ষা বিভাগৰ অতি স্পৰ্শকাতৰ নথিপত্ৰ আৰু তথ্য পাকিস্তানী চোৰাংচোৱাক প্ৰদান কৰাৰ অভিযোগ উত্থাপন হৈছে। আৰক্ষীয়ে অভিযুক্ত লোকজনৰ লেপটপ আৰু মোবাইল জব্দ কৰি পৰীক্ষাৰ বাবে গৱেষণাগাৰলৈ প্ৰেৰণ কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিছে। উল্লেখযোগ্য যে অভিযুক্ত লোকজনে ২০০২ চনত বায়ু সেনাৰ পৰা অৱসৰ গ্ৰহণ কৰিছিল। পৰৱৰ্তী সময়ত লোকজনে তেজপুৰ বিশ্ববিদ্যালয়ৰ ইলেকট্ৰনিক বিভাগৰ কৰ্মৰত হৈ অৱসৰ গ্ৰহণ কৰে বুলি শোণিতপুৰৰ উপ আৰক্ষী অধীক্ষকগৰাকীয়ে প্ৰকাশ কৰিছে।

**বাইট**

০০০০০০০০

নাগৰিকত্ব সংশোধনী আইন, CAA-ৰ অধীনত এতিয়ালৈ বৰাকৰ দুগৰাকী ব্যক্তিয়ে ভাৰতৰ নাগৰিকত্ব লাভ কৰিছে। শ্ৰীভূমি জিলাত বাস কৰা বাংলাদেশৰ চট্টগ্ৰামৰ ৪০ বছৰীয়া এগৰাকী মহিলাক CAA-ৰ অধীনত ভাৰতীয় নাগৰিকত্ব প্ৰদান কৰা হৈছে। নাগৰিকত্ব লাভ কৰা মহিলাগৰাকীয়ে ২০০৭ চনত চিকিৎসাৰ বাবে আহি শ্ৰীভূমিৰ এজন ব্যক্তিৰ সৈতে বিবাহ পাশত আবদ্ধ হৈ স্থায়ীভাৱে থাকিবলৈ আৰম্ভ কৰিছিল। ২০১৯ চনত CAA-গৃহীত হোৱাৰ পিছত নাগৰিকত্বৰ বাবে আবেদন কৰি দীৰ্ঘদিনীয়া প্ৰক্ৰিয়াৰ অন্তত কেন্দ্ৰীয় চৰকাৰৰ স্বীকৃতি লাভ কৰে। আনহাতে, শিলচৰৰ এজন ৬১ বছৰীয়া এজন ব্যক্তিও CAA-ৰ অধীনত ভাৰতীয় নাগৰিকত্ব লাভ কৰিছে।

০০০০০০

কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহে অহা ২৯ ডিচেম্বৰত ঐতিহাসিক বটদ্ৰৱা প্ৰকল্পৰ উদ্বোধন কৰিব। কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে এই কাৰ্যসূচী সুকলমে আয়োজন কৰাৰ লক্ষ্যৰে আজি মন্ত্ৰী পিযুষ হাজৰিকাই প্ৰকল্পস্থলী পৰ্যবেক্ষন কৰে। মন্ত্ৰী কেশৱ মহন্ত, বিধায়ক ৰূপক শৰ্মা, জিতু গোস্বামী আৰু শশীকান্ত দাসৰ সৈতে তেওঁ প্ৰকল্পস্থলী পৰিদৰ্শন কৰি কামসমূহৰ অগ্ৰগতিৰ বুজ লয়। বটদ্ৰৱা থানখনক কলা-সংস্কৃতি আৰু আধ্যাত্মিকতাৰ অন্যতম প্ৰাণকেন্দ্ৰ হিচাপে

গঢ়ি তোলাৰ লগতে পৰ্যটকৰ আকৰ্ষণৰ কেন্দ্ৰবিন্দুলৈ ৰূপান্তৰ কৰাত এই প্ৰকল্পই গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব বুলি মন্ত্ৰী পিযুষ হাজৰিকাই উল্লেখ কৰে।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী অহা ২১ ডিচেম্বৰত নামৰূপৰ এমনিয়া ইউৰিয়া প্ৰকল্পৰ আধাৰশিলা স্থাপনৰ উদ্দেশ্যে অসমলৈ আহিব। প্ৰধানমন্ত্ৰীৰ আগমনৰ পৰিপ্ৰেক্ষিতত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই ইতিমধ্যে সুৰক্ষাকে ধৰি সকলোবোৰ দিশৰ বিশেষ তদাৰক কৰাৰ লগতে অলপতে ক্ষেত্ৰ পৰিদৰ্শন কৰি প্ৰস্তুতি সম্পৰ্ক বুজ লয়। তেওঁ উচ্চপদস্থ বিষয়াবৰ্গৰ সৈতে এই সন্দৰ্ভত এখন বৈঠকতো মিলিত হয়। প্ৰধানমন্ত্ৰীৰ আগমন সন্দৰ্ভত ডিব্ৰুগড় জিলাৰ আটাইকেইটা বিধানসভা সমষ্টিৰ বিধায়কসকলেও নিজ নিজ অঞ্চলত প্ৰস্তুতি সম্পৰ্কে অৱগত হ'বলৈ মিলিত হৈছে। চাবুৱা, লাহোৱাল সমষ্টিৰ বিধায়ক বিনোদ হাজৰিকাৰ বাসগৃহত আজি দলীয় কৰ্মকৰ্তাসকলৰ সৈতে ৰাজ্য চৰকাৰৰ কেবিনেট মন্ত্ৰী প্ৰশান্ত ফুকন মিলিত হয়। প্ৰধানমন্ত্ৰীয়ে অংশগ্ৰহণ কৰিবলগীয়া অনুষ্ঠানটি সুচাৰুৰূপে চলাই নিয়াৰ বাবে বিধায়কগৰাকীৰ উপস্থিতিত অনুষ্ঠিত গুৰুত্বপূৰ্ণ বৈঠকখনত সকলো কৰ্মকৰ্তাকে নিজ নিজ দায়িত্বসমূহ ভগাই দিয়া হয়। মন্ত্ৰী ফুকনে সকলোকে সুকলমে নিজ নিজ দায়িত্ব পালন কৰিবলৈ আৰু প্ৰধানমন্ত্ৰী অসম আগমনৰ এই ক্ষণ ঐতিহাসিক হিচাপে চিহ্নিত কৰি তুলিবলৈ আহ্বান জনায়।

০০০০০০০

ছুইমিং ফেডাৰেচন অব ইণ্ডিয়া আৰু অসম সাঁতোৰ সন্থাৰ প্ৰতিনিধিবৰ্গই আজি বিশ্বনাথ জিলাত নৱনিৰ্মিত ছুইমিং পুল ভৱনৰ নিৰ্মাণ কাৰ্য পৰিদৰ্শন কৰে। পৰিদৰ্শনৰ অন্তত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত নিৰ্মাণ কাৰ্যত ৰৈ যোৱা আঁসোৱাহৰ বিষয়ে আঙুলিয়াই দি পৰৱৰ্তী সময়ত তাক দূৰ কৰিবলৈ পৰামৰ্শ দিয়ে। পৰিদৰ্শনৰ বাবে অহা দলটোত ছুইমিং ফেডাৰেচন অব ইণ্ডিয়াৰ উপ-সভাপতি  ভাস্কৰ ৰঞ্জন দাস, অসম সাঁতোৰ দলৰ মুখ্য প্ৰশিক্ষক বাবুল গুৰুং, অসম সাঁতোৰ সন্থাৰ যুটীয়া সম্পাদক দিব্য শৰ্মা, সম্পাদক প্ৰশান্ত মহন্তকে ধৰি আন আন সদস্যসকল উপস্থিত থাকে।

০০০০০০০

কেন্দ্ৰীয় সমবায় বিভাগৰ ৰাজ্য মন্ত্ৰী কৃষাণ পাল গুৰ্জ্জৰে আজি গুৱাহাটীৰ চানমাৰিৰ অসম অভিযান্ত্ৰিক প্ৰতিষ্ঠান খেলপথাৰত  চতুৰ্থ সমবায় মেলা উদ্বোধন কৰে। আত্মনিৰ্ভৰশীল ভাৰত গঢ়াৰ লগতে ২০৪৭ চনৰ ভিতৰত দেশখনক বিকশিত ৰাষ্ট্ৰ হিচাপে গঢ়ি তোলাৰ ক্ষেত্ৰত  সমবায় সমিতিসমূহৰ গুৰুত্বপূৰ্ণ ভূমিকা আছে বুলি কেন্দ্ৰীয় ৰাজ্যমন্ত্ৰীগৰাকীয়ে সংবাদমাধ্যমৰ আগত মন্তব্য কৰে।

বাইট

আজিৰ অনুষ্ঠানত ৰাজ্য চৰকাৰৰ সমবায় মন্ত্ৰী যোগেন মহন, কেন্দ্ৰীয় চৰকাৰৰ সমবায় বিভাগৰ জ্যেষ্ঠ বিষয়া আশীষ কুমাৰ ভূটানি, ৰাজ্য চৰকাৰৰ সমবায় বিভাগৰ সচিব অনন্ত লাল জ্ঞানীকে ধৰি কেইবাগৰাকীও জ্যেষ্ঠ বিষয়া উপস্থিত থাকে। এই মেলাৰ জৰিয়তে অসম তথা উত্তৰ পূৰ্বাঞ্চলৰ বিভিন্ন সমবায় সমিতিসমূহে অৰ্থনৈতিক ভেটি শক্তিশালী কৰাৰ যাত্ৰা প্ৰতিফলিত হৈছে বুলি মন্ত্ৰী শ্ৰীযোগেন মহনে মন্তব্য কৰে। উল্লেখযোগ্য যে ১৫ ডিচেম্বৰলৈ চলিবলগীয়া এই মেলাত অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ সমবায় সমিতিসমূহে অংশগ্ৰহণ কৰিছে। মেলাত হাতে বোৱা কাপোৰ, বাঁহ-বেতেৰে নিৰ্মিত সামগ্ৰী, পানী মেটেকা, মৰাপাটেৰে নিৰ্মিত সামগ্ৰী, কাঁহৰ সামগ্ৰী, পৰম্পৰাগত অসমীয়া গহণা, থলুৱা খাদ্য সম্ভাৰ, টেৰাকোটা সামগ্ৰীকে ধৰি বিবিধ সামগ্ৰী বিক্ৰী আৰু প্ৰদৰ্শন কৰা হৈছে। সমবায় মেলাৰ লগত সংগতি ৰাখি পৰম্পৰাগত সাজ-পাৰ, লোক নৃত্য, সুসজ্জিত বিপণী, সংগীত, কুইজ, তৰ্ক  আৰু চিত্ৰাংকন প্ৰতিযোগিতা অনুষ্ঠিত হ'ব।

০০০০০০০০

সমগ্ৰ দেশে আজি সংসদ ভৱন আক্ৰমণ প্ৰতিহত কৰিবলৈ গৈ প্ৰাণ হেৰুওৱা সুৰক্ষা বাহিনীৰ লোক তথা এই আক্ৰমণৰ বলি হোৱা লোকসকলৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰিছে। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে এই আক্ৰমণত প্ৰাণাহুতি দিয়া সাহসী নিৰাপত্তা বিষয়াসকলৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰে। সামাজিক মাধ্যমৰ জৰিয়তে দিয়া এটা বাৰ্তাত ৰাষ্ট্ৰপতিগৰাকীয়ে কয়, যে দেশৰ জাতীয় ভাৱনাক নিজৰ কৰ্তব্যৰ জৰিয়তে অবিৰতভাৱে দিশ দেখুৱাই যোৱা এই বীৰসকলৰ সাহস আৰু ত্যাগক দেশে অভিবাদন জনাইছে। ৰাষ্ট্ৰপতিগৰাকীয়ে লগতে ছহিদ তথা তেওঁলোকৰ পৰিয়ালৰ প্ৰতি দেশ চিৰঋণী হৈ থাকিব বুলিও উল্লেখ কৰে। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ, প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিং আৰু তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী ড° এল মুৰুগানে ২০০১ চনৰ আজিৰ দিনটোত হোৱা সংসদ ভৱন আক্ৰমণত প্ৰাণাহুতি দিয়া সাহসী নিৰাপত্তা বিষয়াসকলৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰে। গৃহমন্ত্ৰীগৰাকীয়ে সামাজিক মাধ্যমৰ জৰিয়তে ছহিদসকলে প্ৰদৰ্শন কৰা অদমনীয় সাহস আৰু বীৰত্বক সোঁৱৰণ কৰে। প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে ২০০১ চনৰ সন্ত্ৰাসবাদী আক্ৰমণৰ সময়ছোৱাত নিৰাপত্তা বিষয়াসকলে সংসদ ভৱনক সুৰক্ষা দিবলৈ কিদৰে চেষ্টা কৰিছিল সেই সন্দৰ্ভত আলোকপাত কৰে। তেওঁলোকৰ সাহস, চূড়ান্ত ত্যাগ আৰু অতুলনীয় দায়িত্ব জ্ঞান দেশবাসীয়ে চিৰকাল মনত ৰাখিব বুলি তেওঁ উল্লেখ কৰে। বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয় শংকৰে কয় যে তেওঁলোকৰ বীৰত্বই সন্ত্ৰাসবাদক সকলো ধৰণেৰে নিৰ্মূল কৰাৰ বাবে জাতিটোৰ দৃঢ়তাক অধিক শক্তিশালী কৰি তোলে। তথ্য আৰু সম্প্ৰচাৰ ৰাজ্যৰ মন্ত্ৰী ড° এল মুৰুগানেও সাহসী সেনানীসকলৰ বীৰত্বই দেশৰ গণতন্ত্ৰক সুৰক্ষা দি সাৰ্বভৌমত্ব বজাই ৰখাত সৰ্বোচ্চ বৰঙণি দি আহিছে বুলি উল্লেখ কৰে। উল্লেখযোগ্য যে ২০০১ চনৰ আজিৰ দিনটোতে সন্ত্ৰাসবাদীয়ে সংসদ ভৱনত আক্ৰমণ চলাইছিল। উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণন, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, লোকসভাৰ অধ্যক্ষ ওম বিৰলা, কেন্দ্ৰীয় মন্ত্ৰী তথা সংসদৰ সদস্যসকলে আজি সংসদ ভৱন চৌহদত এই আক্ৰমণৰ ছহিদসকলৰ প্ৰতি শ্ৰদ্ধা জনাই পুষ্পাঞ্জলি তৰ্পণ কৰিছে।

০০০০০০

আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ দৃষ্টিপাত অনুষ্ঠানত আজি নিশা ৮ বাজি ২ মিনিটত শিশুৰ বিকাশ আৰু মহিলাৰ উন্নয়নৰ ক্ষেত্ৰত চৰকাৰী কাৰ্যসূচী সন্দৰ্ভত এটি আলোচনা প্ৰচাৰ কৰা হ'ব। আলোচনাত ভাগ ল'ব শিশু বিকাশ প্ৰকল্পৰ ছিপাঝাৰৰ প্ৰকল্প বিষয়া প্ৰণীতা তালুকদাৰ আৰু ৰামপুৰ শিশু বিকাশ প্ৰকল্পৰ প্ৰকল্প বিষয়া গীতা দেৱীয়ে। অনুষ্ঠানটিৰ আঁত ধৰিব জিণ্টীৰাণী ডেকাই। অনুষ্ঠানটিৰ পৰিকল্পনা আৰু প্ৰযোজনা ৰাজীৱ লোচন বৰঠাকুৰৰ আৰু প্ৰযোজনা সহযোগী হৈছে আমিনুল ইছলাম।

০০০০০০০

**সমাপ্ত**